জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩৬/২০২০

# বৰাকত প্ৰথমবাৰৰ বাবে আয়োজিত গাঁওৰক্ষী বাহিনীৰ প্ৰতিষ্ঠা দিৱস অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ অংশ গ্ৰহণ

## গাঁওৰক্ষী বাহিনীক গাঁৱৰ মান, মৰ্যাদা আৰু সুৰক্ষা প্ৰদানত অহোপুৰুষাৰ্থ কৰাৰ বাবে মুখ্যমন্ত্ৰীৰ আহ্বান

### গাঁওৰক্ষী বাহিনীৰ প্ৰতিষ্ঠাপক হৰিনাৰায়ণ বৰুৱাৰ স্মৃতিত আন্তঃজিলা প্ৰাইজমানি ফুটবল ট্ৰফী ৰাজ্য চৰকাৰে অনুষ্ঠিত কৰিব

**দিছপুৰ, ২৯ জানুৱাৰী ঃ** 'অসমৰ ২৬ হাজাৰ খন গাঁও, ১,৫০০ খন চাহ বাগিচা আৰু বৰাক-ব্ৰহ্মপুত্ৰ পাহাৰ-ভৈয়ামৰ ৯৮ খন সৰু-বৰ চহৰৰ সমউন্নয়ন আমাৰ লক্ষ্য। অসমৰ ৩৩ খন জিলাত বসবাস কৰা বিভিন্ন জাতি-জনগোষ্ঠী, ভাষা-ধৰ্মালম্বীলোকে ঐক্যবদ্ধ প্ৰচেষ্টাৰে সমন্বয়ৰ দ্বাৰা এখন শক্তিশালী ৰাজ্য হিচাপে অসমক গঢ়ি তোলাৰ ক্ষেত্ৰত আমি মিলিত প্ৰচেষ্টাত অৱতীৰ্ণ হৈছো। আমাৰ লক্ষ্য হৈছে একেলগে থাকিম, মিলাপ্ৰীতিৰে থাকিম আৰু এনেদৰে আমি এখন শক্তিশালী অসম গঢ়ি তুলিম। সুধাকণ্ঠ ভাৰতৰত্ন ড° ভূপেন হাজৰিকা আৰু হেমাংগ বিশ্বাসৰ আদৰ্শৰে আমি বৰাক-ব্ৰহ্মপুত্ৰ, পাহাৰ-ভৈয়াম একাকাৰ কৰি সমন্বয়ৰ দ্বাৰা এখন শক্তিশালী অসম গঢ়ি বিশ্ব জয়ৰ পথত অগ্ৰসৰ হ'ব লাগিব।' আজি শিলচৰৰ পুলিচ পেৰেড গ্ৰাউণ্ডত গাঁওৰক্ষী বাহিনীৰ ৭১ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে গাঁওৰক্ষী বাহিনীৰ মৌলিক দায়িত্ব আৰু কৰ্তব্য হৈছে ৰাজ্যখনৰ গাঁও সমূহৰ জনসাধাৰণক সুৰক্ষা প্ৰদান কৰা। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে গাঁওৰক্ষী বাহিনীৰ প্ৰতিষ্ঠাপক হৰিনাৰায়ণ বৰুৱালৈ গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰে। তেখেতৰ আদৰ্শৰে গাঁও সমূহৰ স্বাভিমান আৰু মৰ্যাদা বৃদ্ধিৰ দিশত গাঁওৰক্ষী বাহিনীৰ সদস্য-সদস্যাসকলক গভীৰ নিষ্ঠাৰে নিজৰ দায়িত্ব পালনৰ কৰাৰ বাবেও মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে লগতে গাঁওৰক্ষী বাহিনী সমূহক অন্ধ বিশ্বাস আৰু কু-সংস্কাৰৰ বিৰুদ্ধে জনসাধাৰণক সজাগ আৰু সচেতন কৰাৰ বাবেও আহ্বান জনায়। অসমত এক শক্তিশালী গণতান্ত্ৰিক বাতাবৰণ অক্ষুণ্ণ ৰখাৰ বাবে নিজৰ দায়িত্ব সুচাৰুৰূপে পালন কৰাৰ ওপৰটো মুখ্যমন্ত্ৰীয়ে গুৰুত্ব আৰোপ কৰে। অসমৰ গাঁওৰক্ষী বাহিনী এতিয়া ভাৰতৰ এক শক্তিশালী অনুষ্ঠানলৈ পৰিণত হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে আগন্তুক দিনৰ প্ৰত্যাহ্বান সমূহ সঠিক ৰূপত মোকাবিলা কৰাৰ দিশত গাঁওৰক্ষী বাহিনীৰ সদস্য-সদস্যাসকল প্ৰস্তুত বুলিও কয়।

কাছাৰ জিলাৰ বৰাক উপত্যকাত প্ৰথম বৰাৰ বাবে গাঁওৰক্ষী বাহিনীৰ প্ৰতিষ্ঠা দিৱস অনুষ্ঠিত হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে এইখন চৰকাৰে ব্ৰহ্মপুত্ৰৰ লগতে বৰাক উপত্যকাকো সমানে গুৰুত্ব দিছে বুলি কয়। মুখ্যমন্ত্ৰীয়ে দুয়োখন উপত্যকাৰ জনসাধাৰণৰ মাজত মনৰ আদান-প্ৰদান কৰি সমন্বয় দ্বাৰা বৰ অসমৰ ভেটি শক্তিশালী কৰাৰ বাবেও আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে কয় যে সমন্বয়ৰ ভাষা হৃদয়ংগম কৰি একেলগে কাম কৰাৰ মানসিকতা আমি সকলোৱে আহৰণ কৰিব লাগিব। পূৰ্বৰ চৰকাৰ সমূহে একেলগে কাম কৰাৰ পৰিৱেশ ৰচনা কৰিব পৰা নাছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কংগ্ৰেছে বিগত ১৫ বছৰৰ কাৰ্যকালত গাঁওৰক্ষী বাহিনী শক্তিশালী কৰাৰ দিশত বিশেষ একো পদক্ষেপ গ্ৰহণ নকৰিলে বুলিও কয়। আনকি বৰাক উপত্যকাৰ জিলা কেইখনত এই বাহিনীৰ প্ৰতিষ্ঠা দিৱস অনুষ্ঠিত কৰাৰ কোনো ব্যৱস্থা পূৰ্বৰ চৰকাৰে কৰা নাছিল বুলিও মুখ্যমন্ত্ৰীয়ে কয়। পূৰ্বৰ চৰকাৰে দুয়োখন উপত্যকাৰ উন্নয়নক সমানে আগুৱাই নিয়াৰ দৰে চিন্তা কোনো দিনে কৰা নাছিল বুলি উল্লেখ কৰি বৰ্তমানৰ ৰাজ্য চৰকাৰৰ কাৰ্যকালত দুয়োটা উপত্যকাৰ উন্নয়নৰ ধাৰা শক্তিশালী ভাৱে আগুৱাই গৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস নীতিৰ আধাৰত ভাৰতৰ ২৮ খন ৰাজ্য আৰু ৯ খন কেন্দ্ৰীয় শাসিত অঞ্চলত সম-উন্নয়নৰ ধাৰা অব্যাহত ৰাখিছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। এই নীতি সাৰোগত কৰি বৰ্তমানৰ ৰাজ্য চৰকাৰেও ৰাজ্যখনৰ সকলো অঞ্চলৰে সম-বিকাশ আৰু সম-উন্নয়নত গুৰুত্ব আৰোপেৰে শক্তিশালী পদক্ষেপ লৈছে বুলিও তেঁও কয়। এই চৰকাৰৰ কাৰ্যকালত বৰাক উপত্যকাৰ ৰাস্তা-পদূলিকে ধৰি আন্তঃগাঁথনিগত উন্নয়নৰ দিশত শক্তিশালী পদক্ষেপ লোৱা হৈছে বুলি তেওঁ কয়। বৰাক উপত্যকাৰ জনসাধাৰণৰ বাবে প্ৰশাসন যন্ত্ৰক কাষ চপাই নিয়াৰ উদ্দেশ্য আগত ৰাখিয়েই বৰ্তমানৰ ৰাজ্য চৰকাৰখনে শিলচৰত মিনি চেক্ৰেটেৰিয়েট স্থাপনৰ দৰে শক্তিশালী পদক্ষেপ লৈছে। বিগত নিৰ্বাচনৰ পূৰ্বে এই বৰাক উপত্যকাতে দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বাংলাদেশ, আফগানিস্থান, পাকিস্থানত ধৰ্মীয় উৎপীড়নৰ বলি হৈ ভাৰতবৰ্ষলৈ অহা লোকক নাগৰিকত্ব প্ৰদানৰ বাবে পদক্ষেপ লোৱা হ'ব বুলি প্ৰতিশ্ৰুতি দিছিল আৰু এতিয়া ইয়াক হাতে কামে ৰূপায়ণৰ বাবে পদক্ষেপ লৈছে বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে অসমক সকলো দিশতে শক্তিশালী কৰাৰ বাবে নিষ্ঠা সহকাৰে কঠোৰ পৰিশ্ৰমত ব্ৰতী হোৱাৰ বাবেও সকলোকে আহ্বান জনায়। উঠি অহা প্ৰজন্মক শিক্ষাৰ প্ৰতি ধাউতি বৃদ্ধি কৰাৰ কামত সকলোৱে আত্মনিয়োগ কৰিব লাগিব বুলিও তেঁও কয়। একবিংশ শতিকাৰ এই প্ৰতিযোগিতামুখী বাতাবৰণত তিষ্ঠি থকাৰ বাবে নিজৰ দক্ষতা আৰু যোগ্যতাৰ উত্তৰণৰ দিশত সকলোৱে আত্মনিয়োগ কৰিব লাগিব বুলিও তেঁও কয়। মুখ্যমন্ত্ৰীয়ে চৰকাৰী আঁচনি সমূহ যাতে দুৰ্নীতিমুক্ত ভাৱে উচিত ৰূপত ৰূপায়ণ হয় তাৰ বাবেও পদক্ষেপ ল'বলৈ বৰাক উপত্যকাৰ তিনি জিলা প্ৰশাসনক কয়। এই আঁচনি সমূহ সুচাৰুৰূপে ৰূপায়ণ হ'লে বৰাক উপত্যকাৰ সকলো শ্ৰেণীৰ জনসাধাৰণ উপকৃত হ'ব

বুলিও তেঁও কয়। পঞ্চায়তৰ কাম সমূহ যাতে সঠিক ৰূপত ৰূপায়ণ হয় তাৰ বাবে গাঁওৰক্ষী বাহিনী সমূহেও উদ্যোগ গ্ৰহণ কৰিব লাগিব বুলি মুখ্যমন্ত্ৰীয়ে কয়। চতুৰ্দশ বিত্ত আয়োগৰ অনুদানেৰে গাঁও সমূহত উন্নয়নৰ কাম-কাজ হাতত লোৱা হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে এই দিশত গাঁওৰক্ষী বাহিনীৰ সদস্য-সদস্যাসকলৰ গুৰু দায়িত্ব আছে বুলিও তেওঁ কয়। গাঁও সমূহৰ সৌন্দৰ্য আৰু সুৰক্ষাৰ দিশত গাঁওৰক্ষী বাহিনী সমূহে ইয়াৰ স্থাপন কালৰে পৰা নিষ্ঠা সহকাৰে দায়িত্ব পালন কৰি আহিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে গাঁওৰক্ষী বাহিনীৰ প্ৰতিষ্ঠাপক হৰিনাৰায়ণ বৰুৱাৰ নামত এখন ফুটবল ট্ৰফী আয়োজন কৰা হ'ব বুলিও কয়। আন্তঃজিলা ভিত্তিত আয়োজন কৰিবলগীয়া এই প্ৰতিযোগিতাৰ বিজয়ী দলক ৩ লাখ টকা, বিজিত দলক ২ লাখ আৰু তৃতীয় পুৰস্কাৰ প্ৰাপ্ত দলক ১ লাখ টকাৰে পুৰস্কৃত কৰা হ'ব বুলি তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনৰ বিভিন্ন শ্ৰেণীৰ জনসাধাৰণৰ মাজত বন্ধুত্ব আৰু সদ ভাৱ বৃদ্ধিৰ দিশত গাঁওৰক্ষী বাহিনীৰ সদস্য-সদস্যাসকলে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰাৰ বাবেও আহ্বান জনায়। ৰাজ্য চৰকাৰে ৰাজ্যখনৰ যুৱক-যুৱতীসকলৰ বাবে বৰ্তমানৰ চৰকাৰে দক্ষতা বিকাশৰ কাৰ্যসূচী গ্ৰহণ কৰিছে আৰু এই কাৰ্যসূচী তৃণমূল পৰ্যায়লৈ লৈ যোৱাৰ দিশত গাঁওৰক্ষী বাহিনীৰ সদস্য-সদস্যাসকলে মুখ্য ভূমিকা পালন কৰিব লাগিব বুলি তেওঁ কয়। ইয়াৰ বাবে ৰাজ্য চৰকাৰৰ তৰফৰ পৰা তেওঁলোকলৈ মাননীও প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে কয়।

এই অনুষ্ঠানতে গাঁওৰক্ষী বাহিনীৰ উৎকৃষ্টতা প্ৰদৰ্শন কৰা সদস্য-সদস্যাকো মানপত্ৰ প্ৰদান কৰে। আনহাতে অনুষ্ঠানৰ পিছতে সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনত স্থায়ী শান্তি প্ৰতিষ্ঠাৰ বাবে এতিয়ালৈ মূলসুঁতিলৈ উভতি নহা সকলোবোৰ সশস্ত্ৰ সংগঠনৰ সদস্যক আহ্বান জনায়। সংবিধানৰ গণ্ডিৰ ভিতৰত আলোচনাৰৰ বাবে চৰকাৰৰ দুৱাৰ সদায়ে মুকলি হৈ আছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

আজিৰ এই অনুষ্ঠানত পৰিৱেশ আৰু বন বিভাগৰ মন্ত্ৰী পৰিমল শুক্লবৈদ্য, সাংসদ ৰাজদীপ ৰয়, প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী কবিন্দ্ৰ পুৰকায়স্থ, অসম বিধান সভাৰ উপাধ্যক্ষ আমিনুল হক লস্কৰ, প্ৰাক্তন উপাধ্যক্ষ দিলীপ পাল, বিধায়ক সকল ক্ৰমে অমৰ চান্দ জৈন, কিশোৰ নাথ, মিহিৰ কান্তি সোম, ডি আই জি দিলীপ দে, জিলা উপায়ুক্ত বৰ্ণালী শৰ্মা, আৰক্ষী অধীক্ষক মানৱেন্দ্ৰ দেব ৰয়কে ধৰি উচ্চপদস্থ বিষয়া সকল উপস্থিত থাকে।

**সুঃদঃ / পুঃডেঃ / বঃভাঃ**
**২৯/০১/২০২০**